

টোকা

# গোট - 4 ঃ শ্ৰৱণ আৰু কথন

## গাঠনি ঃ

4.0 ঃ পাতনি আৰু পৰিচয়কৰণ
4.1 ঃ শিক্ষণৰ উদ্দেশ্য
4.2 ঃ শ্ৰৱণ আৰু কথন
  4.2.1 শ্ৰৱণ কি ?
  4.2.2 কথন কি ?
4.3 ঃ শ্ৰেণীকক্ষত কথোপকথনৰ আৱশ্যকতা।
4.4 ঃ শ্ৰেণীকক্ষত শ্ৰৱণ আৰু কথনক বাবে প্ৰয়োজনীয় সুবিধা প্ৰদান আমি কিদৰে কৰিব পাৰো ?
  4.4.1 শিশু উপযোগী গীত/কবিতা শুনিব আৰু গুণগুণাব পৰা কবিতা
  4.2.2 ছবিসমূহ
  4.2.3 সাধু কথা কোৱা
  4.2.4 অভিনয়/নাটক
  4.2.5 সহঃ বিদ্যায়তনিক ক্ৰিয়াকলাপ
4.5 ঃ শুদ্ধতা/বাকপটুতা বা সলসলীয়াকৈ ক'ব পৰা গুণ। সাৱলীল কথন।
4.6 ঃ সংক্ষিপ্তকৰণ (অধ্যায়টিৰ পৰা আমি কি শিকিলো)
4.7 ঃ অধিক জানিবলৈ সহায় প্ৰদান
4.8 ঃ অধ্যায়ৰ শেষত অনুশীলন

## 4.0 পাতনি

আগৰ অধ্যায়ত আমি জনাইছো যে শিশুসকলে এটাতকৈ অধিক ভাষা সহজতে আয়ত্ব কৰে আৰু ঘৰুৱা পৰিৱেশত ক'বলৈ সক্ষম হয়। এইটো সম্ভৱ হয় কাৰণ, তেওঁলোকে এই ভাষাবোৰ শুনিবলৈ আৰু ক'বলৈ যথেষ্ট সুবিধা পায়। আমি জানো যে এইটো সম্ভৱ হয় সেইবোৰ ভাষাৰ ক্ষেত্ৰত যিবোৰ ভাষা বিদ্যালয়ত শিকোৱা হয়, আৰু ছাত্ৰ-ছাত্ৰীক শুনিবলৈ আৰু ক'বলৈ যদিহে যথেষ্ট সুবিধা প্ৰদান কৰা হয়।

এই অধ্যায়ত আমি শ্ৰৱণ আৰু কথন কৌশলৰ বিষয়ে আলোচনা কৰিম। আমি বুজিবলৈ চেষ্টা কৰিম যে শ্ৰৱণ মানে আৰু কথন মানে কি বুজো ? ভাষা

টোকা

শিকনত এই দুটা কৌশল কিদৰে সহায় কৰে? ইয়াৰ লগে লগে আমি বুজিব লাগিব যে— ভাষা শিক্ষণৰ ক্ষেত্ৰত শিক্ষকে কেনে কৌশলৰ উপস্থাপন কৰে।

## 1.1 শিকন উদ্দেশ্য

এই অধ্যায়টো অধ্যয়ন কৰাৰ পাছত আমি তলৰ বিষয়সমূহ জানিবলৈ সক্ষম হ'ম।

— শ্ৰৱণ আৰু কথনৰ অৰ্থ বুজি পোৱা।
— ভাষা শিক্ষণ আৰু শিকনৰ ক্ষেত্ৰত শ্ৰৱণ আৰু কথনৰ ভূমিকাৰ বিষয়ে বুজি পোৱা।
— এই কৌশল আয়ত্ব কৰাৰ ক্ষেত্ৰত শিক্ষকৰ আৱশ্যকীয় ভূমিকা আৰু দায়িত্বশীলতা চিনাক্ত কৰা।
— কথনৰ শুদ্ধতা আৰু সাৱলীলতাৰ বা সলসলীয়াকৈ ক'ব পৰাৰ আৱশ্যকতাৰ বিষয়ে বুজি পোৱা।

## 4. 2 শ্ৰৱণ আৰু কথন

যেতিয়া শিশুৱে বিদ্যালয়লৈ যাবলৈ আৰম্ভ কৰে, তেতিয়া তেওঁলোকক প্ৰথম দুই বা তিনি মাহ সময় শ্ৰৱণ আৰু কথনৰ অনুশীলনৰ বাবে যথেষ্ট সুবিধা দিয়া হয়। এই ব্যৱস্থা বিভিন্ন ধৰণে কৰা হয়। বিশেষতঃ শিক্ষকে কবিতা আবৃত্তি কৰি, গীত গাই, সংখ্যা, আখৰ শিশুসকলৰ আগত পঢ়ি শুনাই আৰু শিশুসকলে লগে লগে শিক্ষকৰ লগত পুনৰাবৃত্তি কৰে শব্দই শব্দই, আখৰে আখৰে।

আশা কৰা যায় যে— ছাত্ৰ-ছাত্ৰীয়ে পঢ়ি থকা পাঠসমূহ যদিও বুজি নাপায় তথাপিও তেওঁলোকে মুখস্থৰ দ্বাৰা মনত ৰাখিব। এইদৰে তেওঁলোকৰ পাঠটো একেৰাহে আওঁৰাই থাকিবলৈ দিয়া হয় যাতে এটা সময়ত তেওঁলোকে মনত ৰাখিবলৈ সক্ষম হ'ব।

শিক্ষকে নিশ্চিতভাৱে বিশ্বাস আছে যে ছাত্ৰ-ছাত্ৰীয়ে কোনো নতুন শব্দ বা নতুন বাক্য শিকিব নোৱাৰে যদিহে সেই নতুন শব্দ বা বাক্য তেওঁলোকৰ আগত আগেয়ে কোৱা নহয়। এইটোৱে ইয়াকে সূচায় যে— "এটি শিশুৱে প্ৰথমে শুনে তাৰ পিছতহে ক'ব পৰা হয়।"

যেই হওঁক, শ্ৰৱণ আৰু কথন দুয়োটাই এটা সমান্তৰাল প্ৰক্ৰিয়া। যেতিয়াই আমি কোনো কথা কওঁ, তেতিয়াই আমি কোনো কথা শুনিহে ক'ব পৰা হওঁ। মাজে সময়ে আমি কে'ৱল শুনো, উদাহৰণ স্বৰূপে যেতিয়া আমি টিভি, ৰেডিঅ'ত বাতৰি শুনো। কিন্তু এই ব্যৱস্থাত উপভোগ কৰি লাভ কৰা বাতৰি পৰিবেশন একে

টোকা

নহয়, যিটো টেপ ৰেকৰ্ডাৰৰ সহায়ত সকলোখিনি সংগ্ৰহ কৰি বাৰে বাৰে বজাই তাক শব্দই শব্দই শুনাৰ বাবে প্ৰয়োগ কৰিব পৰা যায়।

"শ্ৰৱণ আৰু কথন ব্যৱস্থাৰ' আন এটি বৈশিষ্ট্য হৈছে ধাৰণা হোৱা বা বোধ হোৱা। শব্দ এটাৰ ধাৰণা নোহোৱাকৈ আমি কথোপকথন আগুৱাই নিব নোৱাৰিম। আমি কিদৰে টেলিফোনত কথা পাতো ? এই কথা চিন্তা কৰিলেই কথাটো স্পষ্টভাৱে বুজা যাব। আমি টেলিফোনত প্ৰথমে আনফালৰ পৰা কোৱা ব্যক্তিজনৰ কথা শুনো, তেওঁ কি কৈছে বুজিবলৈ চেষ্টা কৰো, আৰু তেওঁক সঁহাৰি জনাওঁ। নুবুজাকৈ আমি কথোপকথন আগুৱাই নিবলৈ অপাৰগ হ'ম।

গতিকে ভাষা এটা জানিবলৈ হ'লে আমি ভাষা শিকাৰ কৌশলসমূহ বেলেগে বেলেগে শিকিব নোৱাৰো। ভাষাক সকলো কৌশল একেলগে শিকাৰ প্ৰয়োজন কাৰণ কৌশলসমূহ এটা আনটোৰ ওপৰত নিৰ্ভৰশীল, যিদৰে চিন্তা কৰা আৰু বুজা এই দুয়োটা প্ৰক্ৰিয়া একেলগে জোট বান্ধ থাকে।

**তোমাৰ অগ্ৰগতিৰ পৰীক্ষা কৰা-১**

১) শ্ৰৱণ - কথনৰ গুৰুত্বপূৰ্ণ ভাগ কি ?

(ক) শ্ৰৱণ (খ) কথন

(গ) বোধ বা প্ৰাজ্ঞ (ঘ) তথ্য সংগ্ৰহ

২) "শ্ৰৱণ আৰু কথন প্ৰক্ৰিয়া" আৰু "তথ্য সংগ্ৰহ প্ৰক্ৰিয়া"ৰ মাজত পাৰ্থক্য কি ?

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩) আগতে হৈ যোৱা পাঠত শ্ৰেণীকোঠাত শিক্ষকে ছাত্ৰ-ছাত্ৰীক শুনা আৰু কোৱাৰ বাবে কি কি বিশেষ সুবিধা প্ৰদান কৰিছে? এই সুবিধাসমূহ যথেষ্ট হৈছে নে? তোমাৰ মতামত দিয়া।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

টোকা

৪) তোমাৰ বন্ধুৱে ৰাতিপুৱাৰ ৰেডিঅ'ৰ বাতৰি শুনিবলৈ অপাৰগ হ'ল। তাই তোমাক বাতৰিৰ বিষয়ে সুধিলে আৰু তোমাক ক'বলৈ ক'লে। তুমি তেওঁক কি ৰক'বা? এই কাৰ্য্যটো সমাধান কৰিবলৈ তোমাৰ কিহৰ প্ৰয়োজন হ'ব?

..............................................................................................................

..............................................................................................................

..............................................................................................................

..............................................................................................................

## 4.2.1 শ্ৰৱণ কি?

আমি আমাৰ পৰিৱেশত বিভিন্ন প্ৰকাৰৰ ধ্বনি শুনিবলৈ পাওঁ? ইয়াৰ ভিতৰত মানুহে তৈয়াৰ কৰা ধ্বনি, যন্ত্ৰপাতিৰ পৰা জীৱ-জন্তুৰ পৰা উদ্ভৱ হোৱা ধ্বনিও অন্তৰ্ভুক্ত হয়। যদিওবা, এই সকলোবোৰ ধ্বনি যিবোৰ আমি সচৰাচৰ শুনিবলৈ পাওঁ আমাৰ বাবে ইয়াৰ কোনো অৰ্থ নাই। উদাহৰণ স্বৰূপে এটা যন্ত্ৰ চলাই দিওঁতে যিটো ধ্বনি উৎপন্ন হয় (যিটোক আমি ঘৃণা কৰো) নতুবা চৰাইৰ চিৰিক চিৰিক শব্দই (যিটোক আমি শুনি আনন্দ লভো। আমাৰ বাবে ই কোনো অৰ্থ বহন নকৰে।

শ্ৰৱণ কাৰ্য্যই আৱশ্যকীয়ভাৱে অৰ্থ বহন কৰে, যেতিয়া এটা কথোপকথন চলে, শুনি থকাজনে লগে লগে কথোপকথনৰ ভাৱাৰ্থ বুজি পায়। তেওঁ দুই ধৰণে এই ভাবাৰ্থ প্ৰকাশ কৰে, তলত এই কথাটো ভালদৰে আলোচনা কৰা হ'ল।

প্ৰথমতে, শুনোতাজনে কথোপকথনটো শব্দৰ সহায়ত বুজি উঠে। এই আৱশ্যকীয় সাঙ্কেটিক বাৰ্তাই সাধাৰণ শব্দলৈ, বাক্যৰ অংশ, বাক্য, মূল পাঠলৈ অন্তৰ্ভুক্ত কৰে। শুনোতাজন শব্দৰ অৰ্থ জনাটো প্ৰয়োজনীয়। এটা উদাহৰণৰ সহায়ত ইয়াক বুজাবলৈ চেষ্টা কৰা হৈছে। ধৰা হওঁক তোমাৰ এজন বন্ধুৱে তোমাক ৰাতিৰ আহাৰৰ বাবে তেওঁৰ ঘৰলৈ তোমাক নিমন্ত্ৰণ কৰিলে, তুমি তেওঁৰ ঘৰখন কেতিয়াও দেখা নাই, ফোনতে তেওঁ তোমাক তেওঁৰ ঘৰখনৰ অৱস্থানৰ বিষয়ে নিৰ্দেশনা দিলে। চিটি চেণ্টাৰৰ পৰা তৃতীয় পথটোৰ সোঁফালে যাবা। প্ৰথমে পোনে পোনে গৈ থাকিবা, তাৰ পিছত বাওঁফালে বাৱাৰ্চি হোটেলৰ পথৰ তিনি নম্বৰ ঘৰখনেই মোৰ ঘৰ।

ঘৰখনৰ স্থান নিৰূপণ কৰাৰ বাবে তুমি যিদৰে মন-মগজুত কথোপকথনটো বাৰে বাপে (আখৰে আখৰে) মনত ৰাখিবলগীয়া হৈছে, ঠিক সেইদৰে তোমাৰ সম্পূৰ্ণ মনোযোগ কথোপকথনটোৰ ওপৰত থাকিব লাগিব, তুমি জানিব লাগিব যে- নিৰ্দেশনাবোৰ ক্ৰম অনুসৰি মনা উচিত।

## শিশুৱে গণিত কেনেকৈ শিকে ?

ইয়াত আমি কথোপকথনটো বিভিন্ন সৰু সৰু খণ্ডত ভাগ কৰিছো, যেনে চিটি চেণ্টাৰৰ পৰা তৃতীয় পথ, সোঁফালে গতি কৰা, পোনে পোনে যোৱা, বাওঁফালে গতি কৰা, বাৰ্বাৰ্চি হোটেল পথ, তৃতীয় ঘৰ) সাংকেতিক বাৰ্তা দিয়া আৰু সাধাৰণ ভাষাতোলৈ বুজি উঠা। এইদৰে গোটেই প্ৰক্ৰিয়াটোত বাক্যৰ খণ্ড খণ্ড ভাগবোৰ চিনাক্ত কৰাৰ ক্ষমতা, বাক্যৰ খণ্ড বাক্যৰ লগত থকা সম্বন্ধ জনাটো আৱশ্যকীয় আৰু এই সকলো সম্ভৱ হয় নেৰানেপেৰা চেষ্টাৰ ফলত।



টোকা

এইদৰে এটা উক্তি বা বৰ্ণনা বুজিবলৈ হ'লে, শুনোতাজনৰ শব্দ ভাণ্ডাৰ চহকী হ'ব লাগিব, বাক্যৰ গাঠনি জানিব লাগিব। এক নেৰানেপেৰা অনুশীল প্ৰক্ৰিয়াৰ ফলত তলৰ দক্ষতাসমূহ আয়ত্ব কৰিব পৰা হয়।

— বাক্য এটা সাৱধানে শুনা।

— মূল শব্দবোৰ চিনাকি কৰা।

— মূল শব্দবোৰ আৰু বাক্যবোৰৰ মাজত থকা ব্যাকৰণৰ সম্বন্ধৰ বিষয়ে জনা।

— শব্দ উচ্চাৰণ কৰোতে কোনবোৰ শব্দত বেছি কৈ জোৰ দিব লাগে তাৰ প্ৰাসঙ্গিকতা পঢ়োতাই জনা। উদাহৰণ স্বৰূপে মূল শব্দসমূহ চিনাক্ত কৰা।

বাক্য এটা জনাৰ বা বুজাৰ দ্বিতীয় ব্যৱস্থাটো হৈছে আমাৰ পূৰ্বজ্ঞানৰ সহায়ত লাভ কৰা জ্ঞান। এই বুজাৰ প্ৰক্ৰিয়া কিছুমান শব্দৰ ওপৰত প্ৰতিষ্ঠিত আৰু যিবোৰ পূৰ্ব জ্ঞানৰ ওপৰত নিৰ্ভৰ কৰি শব্দৰ অৰ্থ নিৰূপণ কৰা হয়। সেয়েহে পূৰ্বজ্ঞানৰ আৱশ্যকতা হয়, যিবোৰ কথোপকথন অভিজ্ঞতা, পঠনৰ পৰা লাভ কৰা হয়। উদাহৰণ স্বৰূপে আমি যদি বাতৰি শুনোযে— "যোৱা ৰাতি এক প্ৰচণ্ড ভূইকঁপে চীন দেশ কঁপাই তুলিলে'। এই ভুইকঁপ শব্দটোৱে মোৰ মনত বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিলে। যেনে ভূইকঁপটোৰ শক্তি কেনে আছিল ?

— কিমান মানুহৰ মৃত্যু ঘটিল বা কিমান মানুহ আহত হ'ল ?

— মানুহৰ সম্পত্তিৰ ক্ষয়-ক্ষতিৰ ই কিমান ঘটালে ?

— সাহায্য ব্যৱস্থা কেনে ধৰণেৰে কৰা হৈছে?

এই সকলোবোৰ প্ৰশ্নই আগতে কৈ অহা "উক্তিটো' বুজাত সহায় কৰিব। এইদৰে আমি এটা বাক্যৰ অৰ্থ বুজিবলৈ সক্ষম হওঁ ন্যূনতম তথ্যৰ সহায়ত। এই ক্ষেত্ৰত আমাৰ পূৰ্বজ্ঞানে বিশেষ ভূমিকা পালন কৰে। এই 'উক্তিটো"ৰ ন্যূনতম তথ্যই আমাক ইয়াকে যোগান ধৰে যে চীন দেশত এটা ভূমিকম্পই কঁপাই তুলিছে আৰু এটা নিৰ্দিষ্ট সময়ত ঘটনাটো ঘটিছে। আমাৰ পূৰ্বজ্ঞান লাভ হয় যিটো আমি দেখো, শুনো বা পঢ়ো এই ভূঁইকম্পৰ বিষয়ে বিভিন্ন প্ৰশ্নৰ অৱতাৰণা কৰিবলৈ, প্ৰচণ্ড ভূমিকম্পই কঁপাই তোলা চীন দেশৰ অৱস্থাৰ বিষয়ে বুজাত সহায় কৰিব।

টোকা

যদি এজন শ্ৰোতাই বা শুনোতাই এই প্ৰক্ৰিয়াৰ সহায়ত বিষয়বস্তুৰ অৰ্থ বুজি পাবলৈ অপাৰগ হয়, তেন্তে কথোপকথনটো হয় সম্পূৰ্ণকৈ কোৱা হোৱা নাই নহয় শুনোতা জনৰ ভূমিকম্পৰ বিষয়ে পূৰ্বজ্ঞানৰ অভাৱ।

অনুশীলনৰ এই প্ৰক্ৰিয়াই পিছৰ কৌশলসমূহ আয়ত্ব কৰাত সহায় কৰে। কথোপকথনৰ মূল শব্দসমূহ অনুমান কৰিব পৰা হয়।

— পৰিবেশটোৰ ওপৰত প্ৰশ্ন অৱতাৰণা কৰিব পৰা হয়।
— কাৰ্য আৰু কাৰণ সম্বন্ধ নিৰ্দ্ধাৰণ কৰিব পৰা হয়।
— পৰিৱেশ এটাৰ বিতং বিৱৰণ দাঙি ধৰিব পাৰে। শ্ৰোতাই শুনি থাকোতে দুয়োটা প্ৰক্ৰিয়া সমান্তৰালভাৱে গতি কৰে। প্ৰতিটো প্ৰক্ৰিয়া কিমান দূৰ ব্যৱহাৰৰ উপযোগী হ'ব আৰু নিৰ্দ্ধাৰণ কৰিব শ্ৰোতা আলোচনা কৰিবলগীয়া বিষয়বস্তুৰ প্ৰতি কিমান পৰিচিত, তথ্যৰ গভীৰতা কিমান, তথ্যৰ প্ৰকাৰ, শ্ৰোতাৰ শুনাৰ উদ্দেশ্য কি আছিল তাৰ ওপৰত।

**তোমাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-২**

১) কিমান ধৰণেৰে শ্ৰৱণৰ দ্বাৰা বিষয়বস্তুৰ অৰ্থ বুজি পাওঁ।

(ক) এক (খ) দুই

(গ) তিনি (ঘ) চাৰি

২) শব্দৰ ওপৰত ভিত্তি কৰি কৰা কথোপকথন এটা যেতিয়া আমি বুজো তাৰ অৰ্থ কিদৰে সাজি উলিৱাওঁ।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩) দুয়োটা প্ৰক্ৰিয়াৰ পাৰ্থক্য কি ? শব্দৰ অৰ্থৰ সহায়ত বিষয়বস্তুৰ অৰ্থ বুজি পোৱা আৰু পূৰ্বজ্ঞানৰ সহায়ত বিষয়বস্তুৰ অৰ্থ বুজি পোৱা।

..........................................................................................................

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪) ববিয়ে কৈছিল যে— “মই এজন দাঁতৰ ডাক্তৰক চাবলৈ গৈ আছো’। এই উক্তিটো শুনি তোমাৰ মনলৈ কেনে ধৰণৰ প্ৰশ্নৰ অৱতাৰণা হৈছে।

টোকা

## 4.2.2 কথন কি ?

কথনে কেৱল ধ্বনিসমূহৰ উচ্চাৰণ কৰা শব্দ আৰু বাক্যবোৰ কোৱাকে নুবুজায়। জিন্ এইট্ছিছন (Jean Aitchison) তেওঁৰ পুথিত "The Articulated Mammals" ত মানুহৰ ভাষা সম্বন্ধীয় জ্ঞানৰ কথা বহলাই প্ৰকাশ কৰিছে। তেখেতৰ মতে আমি যেতিয়া কথা কওঁ তেতিয়া আমি একে সময়তে বিভিন্ন প্ৰক্ৰিয়াৰ মাজত জড়িত হৈ পৰো। কথা এটা কোৱাৰ আগতে আমি মনৰ মাজত আঁচনি কৰি লওঁ যে— আমি কি কোৱা উচিত, যাতে শুনোতাই আমি কি কৈছো বুজি পায়।

মনতে স্থিৰ কৰি ল’ব লাগিব যে আমি ‘কি আৰু কেনেকৈ’ কথা কম, তাক নিৰ্ভৰ কৰিব কাৰ লগত কথা কোৱা হ’ব। উদাহৰণ স্বৰূপে যদি একেষাৰে কথা আমাৰ বন্ধুৰ সৈতে আৰু আমাৰ ককাদেউতাৰ সৈতে আদান-প্ৰদান কৰিব বিচাৰো তেন্তে আমাৰ কথা কোৱাৰ ধৰণ বেলেগ বেলেগ হ’ব আৰু আমাৰ শব্দ নিৰ্বাচনো বেলেগ হ’ব।

যেই হওঁক এই দুয়োটা পৰিস্থিতিতে আমি পৰিকল্পনা কৰি ল’ব লাগিব যে আমি কি কোৱা উচিত। চিন্তাৰ এই প্ৰক্ৰিয়াত প্ৰথমে চিন্তা কৰিম— আমি কি কোৱা উচিত, তাৰ পৰৱৰ্তী পৰ্যায়ত আন কথা চিন্তা কৰিম, যদিহে আমি কথা কৈ থাকো।

“আজি মই ঘৰলৈ দেৰিকৈ উভতি আহিম।”

“মা অসন্তুষ্ট হ’ব”।

“মই ঘৰৰ বাহিৰত থাকিম।”

এইতিনিওটা বাক্যৰ গঠন পদ্ধতি সৰল। যদিহে আমি কেইটা এইদৰে কওঁ— তেন্তে বাক্যকেইটা বুজিবলৈ আৰু ক’বলৈ সহজ হ’ব। এতিয়া যদি আমি বাক্যকেইটা কওঁতে এটা বাক্যৰ ওপৰত নিৰ্ভৰ কৰি আন এটা বাক্য কওঁ, তেতিয়া বাক্যকেইটা আগতকৈ বুজাত সহজ হ’বনে ?

“যদি মই আজি ঘৰলৈ দেৰিকৈ আহো, তেতিয়া মা অসন্তুষ্টি হ’ব আৰু মই হয় ঘৰৰ বাহিৰত থাকিম নতুবা কোনোবা বন্ধুৰ ঘৰলৈ যাম।”

ওপৰৰ বাক্যটোত ‘তেতিয়া’ শব্দটো ‘যদি’ শব্দটোৰ ওপৰত নিৰ্ভৰশীল, ঠিক সেইদৰে ‘অথবা’ শব্দটো ‘হয়’ শব্দৰ লগত সম্বন্ধ থকা। এইটো স্পষ্ট যে কথা এটা

কোৱাৰ আগতে ব্যকা এটাই ইয়াৰ ধ্বনি আৰু বৈশিষ্ট্যৰ সৈতে আমাৰ মনৰ মাজত সম্পূৰ্ণকৈ গঢ় লৈ উঠে। এই সকলোবোৰ ঘটে এটা নিৰ্দিষ্ট আঁচনিৰ জৰিয়তে (Based on Jean Aitchison's book, "The articulate Mammal".

এই উদাহৰণটোৰ পৰা এইটো প্ৰতীয়মান হ'ল যে কথোপকথনৰ সময়ত কথা কৈ থাকোতে আমি আঁচনি তৈয়াৰ কৰি ল'ব লাগিব, এইটো বাধ্যতামূলক।

এই প্ৰক্ৰিয়াটো এনে দ্ৰুতগতিত ঘটে যে আমি কথা কৈ থাকোতে তাৰ অস্তিত্ব বা স্থিতি অনুভৱেই কৰিব নোৱাৰো। আমাৰ মাতৃভাষাৰ ক্ষেত্ৰত এইটো বেছিকৈ প্ৰাসঙ্গিক হয়। যেতিয়া আমি দ্বিতীয় ভাষা শিকো তেতিয়া এই প্ৰক্ৰিয়াটো বেছিকৈ ওচৰৰ পৰা লক্ষ্য কৰিব পাৰো।

এইটো অতি আৱশ্যকীয় যে আমি যেতিয়া কথা কওঁ আমি শুদ্ধ শব্দ আৰু শুদ্ধ ব্যাকৰণ গাঁঠনি ব্যৱহাৰ কৰা উচিত কাৰণ ই আমাৰ মনৰ ভাৱ আৰু অনুভৱ ব্যক্ত কৰে। অসমীয়া ভাষাত বাক্য এটাৰ গাঁঠনি এইদৰে হয় উদ্দেশ্য+বিধেয় +ক্ৰিয়াপদ আৰু কথা এটা কোৱাৰ আগতে ক'বলৈ জুকিয়াই লওঁতেও বাক্যৰ এই গাঁঠনি শুদ্ধভাৱে আমাৰ মনত গঠিত হয়, বাক্যৰ গাঁঠনি কোনো কাৰণতে বিশৃংখল হ'ব নোৱাৰে।

মানুহৰ মাত বা কণ্ঠ ধ্বনি, প্ৰয়োজন অনুসৰি কণ্ঠ উচ্চ-নীচ কৰা কাৰ্য্য, ধ্বনি সাদৃশ্য বা ধ্বনিৰ অন্তৰ মিল ইত্যাদিয়ে কথনত গুৰুত্বপূৰ্ণ ভূমিকা বহন কৰে, এটা উদাহৰণৰ সহায়ত ইয়াক বুজা যায়। "আমি আটায়ে গৰু পুহিব লাগে, গাখীৰ খাব লাগে, গোবৰ শস্যত দিব লাগে।" এই বাক্যটোৰ অৰ্থ বেলেগ হ'ব তাক নিৰ্ভৰ কৰিব আমি বাক্যটো লিখোতে 'যতি'-'বিৰতি' ক'ত দিছো। যদি বাক্যটোৰ 'যতি'-'বিৰতি' এইদৰে দিওঁ যে — আমি আটায়ে গৰু, পুহিব লাগে গাখীৰ, খাব লাগে গোবৰ, শস্যত দিব লাগে।" তেন্তে ইয়াৰ অৰ্থ সম্পূৰ্ণ বেলেগ হ'ব। গতিকে 'যতি'-'বিৰতি' চিহ্ন বাক্য গঠনৰ এটি অবিচ্ছেদ্য অংগ। ইয়াক বুজি পোৱাটো আৰু প্ৰয়োগ কৰাটো ভাষা শিক্ষণৰ বাবে অপৰিহাৰ্য্য।

"এইখন স্কুল"।

এই বিবৃতিটো বিভিন্ন ধৰণেৰে প্ৰকাশ কৰিব পাৰি। প্ৰশ্নবোধক, আচৰিত শোচক, ইতিকিংশোচক এই সকলোবোৰ নিৰ্ভৰ কৰিব আমি ব্যৱহাৰ কৰা ধ্বনিৰ তীব্ৰ আৰু হ্ৰাস কৰাৰ ওপৰত। একে সময়তে মুখেৰে একো নোকোৱাকৈ অঙ্গি-ভঙ্গি, প্ৰকাশ ভঙ্গিয়ে বিবৃতিটোৰ অৰ্থৰ পৰিৱৰ্তন কৰে।



টোকা

**তোমাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৩**

১) মাতৃভাষাৰ বাক্য গঠনক ৰূপ কি?

(ক) উদ্দেশ্য - ক্ৰিয়াপদ - বিধেয় (খ) উদ্দেশ্য-বিধেয়-ক্ৰিয়াপদ

(গ) ক্ৰিয়াপদ - উদ্দেশ্য - বিধেয় (ঘ) ক'ব নোৱাৰিম।

২) ৩ৰ পৰা ৪ বছৰ বয়সৰ ল'ৰা-ছোৱালীয়ে কোৱা কথাৰ পৰা ১০ শাৰী বাক্য সাজা। আপাত-দৃষ্টিত সঠিকভাৱে ভাষাৰ নিয়ম, ভাষা বিশ্লেষণ, ছাত্ৰ-ছাত্ৰীয়ে জনা সকলোবোৰ কথা উল্লেখ কৰা।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

৩) মাতৃভাষা নজনা বা অনা-অসমীয়া ছাত্ৰ-ছাত্ৰীয়ে কোৱা বাক্য পাঁচটা লিখি উলিওৱা। বাক্যকেইটা বিশ্লেষণ কৰা আৰু কোন কোন দিশত তেওঁলোকে অসুবিধা পাইছে বাছি উলিওৱা।

....................................................................................................

....................................................................................................

....................................................................................................

....................................................................................................

## 4.3 শ্ৰেণীকক্ষত কথোপকথনৰ আৱশ্যকতা

কথন আৰু শ্ৰৱণ ভাষা শিক্ষণৰ প্ৰথম পদক্ষেপ। এইটো সম্পূৰ্ণৰূপে সুস্পষ্ট যে কথোপকথনৰ সময়ত কথন আৰু শ্ৰৱণ প্ৰক্ৰিয়া একে সময়তে ঘটে। আমি সাধাৰণতে ভাষাৰ শ্ৰেণীকক্ষত দেখো যে শিক্ষকে বক্তৃতা দিয়ে, ছাত্ৰ-ছাত্ৰীয়ে মৌনভাৱে তেওঁৰ কথা শুনে, নতুবা শিক্ষকে ছাত্ৰ-ছাত্ৰীক প্ৰশ্ন কৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে মাত সীমাবদ্ধ কৰি কেৱল নিৰ্দিষ্ট প্ৰশ্নৰ উত্তৰ দিয়ে। এই ব্যৱস্থাটোক কেতিয়াও কথোপকথন বুলিব নোৱাৰি, কথোপকথন হ'বলৈ হ'লে ছাত্ৰ-ছাত্ৰীয়ে

টোকা

নিজৰ চিন্তাবোৰ, ভাববোৰ শিক্ষকৰ কোনো হেঁচা নোহোৱাকৈ প্ৰকাশ কৰিব পাৰিব লাগিব। শিক্ষকে ভাৱে যে এইদৰে ছাত্ৰ-ছাত্ৰীক কথোপকথন কৰিবলৈ দিলে শ্ৰেণীকক্ষৰ শৃংখলাবদ্ধতা নাইকিয়া হ'ব আৰু শিক্ষণত বাধা সৃষ্টি হ'ব। এনে মনোভাৱৰ বাবেই শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষণৰ ক্ষেত্ৰত কথোপকথনৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিব নোৱাৰি।

প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীয়ে সহজতে নিজৰ ঘৰ বা ভাষাত কথা-বতৰা পাতিব পাৰে আৰু বুজিবও পাৰে। এইটো এইবাবেই ঘটে যে তেওঁলোকে তাক ঘৰুৱা অৱস্থাত ব্যৱহাৰ কৰি থাকে, কিন্তু তেওঁলোকে আন এটা নতুন ভাষাৰ মুখামুখি হ'বলগীয়াত পৰে। যেতিয়াই ছাত্ৰ-ছাত্ৰীয়ে জোৰকৈ বিদ্যালয়ৰ ভাষা শিকিবলগীয়া আৰু ব্যৱহাৰ কৰিব লগীয়া হয় তেতিয়াই সমস্যায়ে দেখা দিয়ে।

প্ৰকৃততে শ্ৰেণীকক্ষত দুয়োটা ভাষাই একেলগে সঙ্গত কৰি শিকোৱাৰ প্ৰয়োজন আৰু দুয়োটা ভাষাৰ মাজত থকা ব্যৱধান আঁতৰাবলৈ হ'লে ছাত্ৰ-ছাত্ৰীক কথোপকথনত সুবিধা দিব লাগিব। ছাত্ৰ-ছাত্ৰীক কথোপকথনত সুবিধা দিয়াৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীৰ নিজৰ ভাষাকে ক'বলৈ দিব পৰা যায় যাতে তেওঁলোকে নিজৰ চাৰিওফালৰ পৰিৱেশক সন্মান জনাব পাৰে আৰু নিজৰ আত্মবিশ্বাস বৃদ্ধি কৰিব পাৰে। এনে উৎসাহ প্ৰদানে ছাত্ৰ-ছাত্ৰীক নতুন ভাষা উপলব্ধি কৰাত আৰু ভাষাটোৰ প্ৰতি আগ্ৰহ বৃদ্ধি কৰাত সহায় কৰে।

ছাত্ৰ-ছাত্ৰীয়ে সাধাৰণতে লক্ষ্যহীন কথাত জড়িত হৈ নাথাকে। এইটো বুজিব পৰা যায় দুজন ছাত্ৰ-ছাত্ৰীৰ স্বাভাৱিক কথোপকথন শুনি।

**চিত্ৰকলা —** (অনুগ্ৰহ কৰি লগত দিয়া ছবিসমূহ পৰিৱৰ্তন কৰা)

ছোৱালী — চোৱা ভদ্ৰ মহিলাগৰাকীয়ে আজি এটা আঙঠি পিন্ধি আছে।

ল'ৰা — তুমি আগতে ইয়াক দেখা নাছিলা নেকি?

ছোৱালী — নহয়, হয় হয় মই আগতে এইটো দেখিছিলো।

ল'ৰা — অ' কিন্তু এইটো এটা বেলেগ আঙঠি।

ছোৱালী — এই ভদ্ৰ মহিলাগৰাকীয়ে এটা নতুন আঙঠি কিনিছে, এইটো আগৰটোতকৈ সৰু।

ল'ৰা— নহয় এইটো আগতকৈ পাতল।

**শিশুৱে গণিত কেনেকৈ শিকে ?**



টোকা

ছাত্ৰ-ছাত্ৰীক যেতিয়া কথোপকথনত জড়িত কৰোঁৱা হয় ভাষা শিক্ষণৰ ক্ষেত্ৰত যথেষ্ট সুবিধা লাভ কৰে। আহা এইটো বিশ্লেষণ কৰো। ল'ৰাজনৰ উক্তিটো শুনি ছোৱালীজনীয়ে নিজৰ বিবৃতিটো পুনৰ প্ৰদৰ্শন কৰিবলৈ সুবিধা পালে যে ভদ্ৰ মহিলাগৰাকীয়ে আগেয়েও এটা আঙঠি পিন্ধিছিল। ছাত্ৰ-ছাত্ৰীয়ে নতুন-পুৰণি, সৰু-পাতলৰ ব্যৱধান জানিব পৰা হয়।

কথোপকথনৰ উপকাৰিতাৰ প্ৰতি সচেতন হ'বলৈ হ'লে, আমি ছাত্ৰ-ছাত্ৰীৰ কথোপকথন শুনাটো আৱশ্যক, কিন্তু, ডাঙৰসকলে তেওঁলোকৰ ল'ৰা-ছোৱালীৰ কথাবোৰ নুশুনে। ছাত্ৰ-ছাত্ৰীৰ উদ্দেশ্যহীন কথোপকথনত দেখা যায় যে তেওঁলোকে কোনো কষ্ট স্বীকাৰ নকৰাকৈ সমালোচনা কৰিছে, পাৰ্থক্য উলিয়াইছে। কল্পনা কৰিছে, ভৱিষ্যবাণী কৰিছে, নিজৰ বিবৃতি যুক্তিৰে পুনৰ বিবেচনা কৰিছে।

**তামাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৪**

১) কথোপকথন এটাত কোন দুটা প্ৰক্ৰিয়া একেলগে গতি কৰে।

(ক) শ্ৰৱণ আৰু দেখা (খ) পঠন আৰু শ্ৰৱণ

(গ) শ্ৰৱণ আৰু কথন (ঘ) শ্ৰৱণ আৰু হঁহা

২) শ্ৰেণীকক্ষত ছাত্ৰ-ছাত্ৰীৰ কথোপকথনক শিক্ষকে কেনেভাৱে লয়।

..........................................................................................................

..........................................................................................................

..........................................................................................................

৩) ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণীকক্ষত কথোপকথনত যথেষ্ট সুবিধা পাবলৈ শিক্ষকৰ ভূমিকা কেনে হোৱা উচিত?

..........................................................................................................

..........................................................................................................

..........................................................................................................

৪) নিজৰ চুবুৰীৰ ৩ৰ পৰা ৬ বছৰ বয়সৰ ল'ৰা-ছোৱালীক মন কৰা আৰু তোমাৰ অভিজ্ঞতা লিখা। এতিয়া বিশ্লেষণ কৰা, সিহঁতৰ কথোপকথনত কেনে ধৰণৰ কাৰ্য্য প্ৰকাশ পাইছে।

..........................................................................................................

..........................................................................................................

..........................................................................................................

টোকা

## 4.4 আমি কিদৰে শ্ৰেণীকক্ষত শ্ৰৱণ আৰু কথনৰ বাবে প্ৰয়োজনীয় সুবিধা প্ৰদান কৰিব লাগে ?

স্কুলসমূহ গৰমৰ বন্ধৰ পিছত খুলিছে। বৰষুণৰ বাবে পানীৰ ডোঙাবোৰ চাৰিওফালে বৰষুণৰ পানীৰে ভৰি পৰিছে। এগৰাকী শিক্ষয়িত্ৰীয়ে তেওঁৰ শ্ৰেণীকক্ষত পঢ়োৱাই আছিল। দুজন ছাত্ৰ-ছাত্ৰীয়ে পিছত বহি নিজৰ ভিতৰতে কথা পাতি আছিল। হঠাতে শিক্ষকে তেওঁলোকক লক্ষ্য কৰিলে আৰু মৰমেৰে সুধিলে, কথাটো কি মোক কোৱাচোন ? তোমালোকে কি কথা পাতি আছা ? যদি তাত কিবা ৰসাল কথা আছে তেন্তে তোমালোকৰ শ্ৰেণীৰ বন্ধুবোৰকো কোঁৱা। এই ছাত্ৰ-ছাত্ৰী দুজনে খন্তেকৰ বাবে সংকিত হৈ পৰিছিল আৰু মৌন হৈ গৈছিল। শিক্ষকে তেতিয়া কৈছিল— ভয় নাখাবা, তোমালোকে কিহৰ ওপৰত কথা পাতি আছিলা ? এজন ছাত্ৰই সাহস গোটাই কৈছিল যে আমি যেতিয়া ঘৰৰ পৰা আহি আছিলো আমি ভেকুলীয়ে ডাঙৰ শব্দ কৰা শুনিছিলো। শিক্ষকজনে বৰ উৎসাহিত হৈ ক'লে— তাৰ পিছত কি হ'ল ?

ছাত্ৰ-ছাত্ৰী — ভেকুলীবোৰে ডোঙাবোৰৰ চাৰিওফালে জপিয়াই আছিল। ভেকুলীবোৰ ডাঙৰ আছিল।

শিক্ষক — তেতিয়া কি ঘটিল ?

ছাত্ৰ-ছাত্ৰী — যেতিয়া আমি সিহঁতৰ ওচৰলৈ গ'লো তেতিয়া সিহঁতে ডোঙাবোৰৰ ভিতৰলৈ জপিয়াই গ'ল।

দুয়োটা ল'ৰা-ছোৱালীৰ আত্মবিশ্বাস বৃদ্ধি পালে। তেওঁলোকৰ বিশ্বাস জন্মিছিল যে তেওঁলোকে নিজৰ মাজত আলাপ-আলোচনা কৰিলে তাৰ বাবে শিক্ষকে গালি নাপাৰিব। এজন ছাত্ৰই শিক্ষকক সুধিলে ভেকুলীবোৰ বৰষুণৰ বতৰৰ পাছত ক'লৈ যায়গৈ ? শিক্ষকে শিকাই থকা কথাখিনি একাষৰীয়া কৰি ৰাখি এই বিষয়বস্তুটো ডাঙি ধৰিলে ? সকলোৱে ভেকুলী দেখিছানে ? শ্ৰেণীকক্ষত ভেকুলী নেদেখা এজনো ছাত্ৰ-ছাত্ৰী নাছিল। শিক্ষকৰ প্ৰশ্নৰ হয়ৰে দিয়া সহাৰিয়ে গোটেই শ্ৰেণীটো প্ৰতিধ্বনিত হৈ পৰিছিল। প্ৰতিটো শিশুৱেই ভেকুলীৰ বিষয়ে কিবা ক'বলৈ অধৈৰ্য্য হৈ পৰিছিল। এজন শিশুৱে ক'লে, "ভেকুলীয়ে বৰষুণৰ বতৰত টোৰ টোৰ কৰে।" আন এজন শিশুৱে ক'লে আমাৰ ঘৰৰ পিছফালৰ বাগিচাখন যেতিয়া খণ্ডা হৈছিল ভেকুলীবোৰ ওলাই আহিছিল। এজনী ছোৱালীয়ে কথাত

টোকা

অংশগ্ৰহণ কৰি ক'লে যে তাই ভেকুলীয়ে কীট পতঙ্গ খোৱা দেখিছে। আন এজনে ক'লে ভেকুলীয়ে জপিয়াই আগুৱাই যাব পাৰে। শ্ৰেণীকক্ষত গোটেই পৰিৱেশটো ভেকুলীময় হ'ল। কিছুমানে ভেকুলীৰ টোৰ টোৰ শব্দ মুখেৰে কৰিলে, কিছুমানে ভেকুলীৰ দৰে জপিয়াব ধৰিলে।

শিক্ষকে সাৱধানে ছাত্ৰ-ছাত্ৰীৰ কথোপকথনবোৰ শুনিছিল আৰু সিহঁতৰ কাৰুকাৰ্যবোৰ চাই আছিল। শিক্ষকে লগে লগে শ্ৰেণীকক্ষত শৃংখলাবদ্ধতা বজাই ৰাখিবলৈ চেষ্টা কৰিছিল।

শিক্ষকে ছাত্ৰ-ছাত্ৰীক কৈছিল— 'চোৱা এতিয়া তোমালোকে তোমালোকৰ চাৰিওফালে থকা ভেকুলীবোৰ ভালদৰে লক্ষ্য কৰিবা আৰু বৰষুণৰ পাছত সিহঁত ক'লৈ যায়গৈ ভাবি গুনি চাবা। অৱশেষত শিক্ষকে ছাত্ৰ-ছাত্ৰীক ভেকুলীৰ ওপৰত ৫টাকৈ বাক্য লিখিবলৈ দিলে।

ভেকুলীৰ বিষয়ে হোৱা এই কথোপকথনত শিক্ষকে অতি সহজতে ভেকুলীৰ বাসস্থান, খাদ্যভ্যাস, বৰণ, আকৃতি-প্ৰকৃতি, স্বভাৱ ইত্যাদিসমূহ শিক্ষণৰ লগত সম্পৰ্ক স্থাপন কৰিব পাৰিছিল। যদি শিক্ষকে ছাত্ৰ-ছাত্ৰীক এনে ধৰণৰ কথোপকথনৰ সুবিধা দিয়ে তেন্তে তেওঁলোকে লাগে লাগে মনৰ ভাৱ আৰু চিন্তা নিজৰ অভিজ্ঞতাৰ লগত সম্পৰ্ক স্থাপন কৰি প্ৰকাশ কৰিব পৰা হ'ব। এইদৰে বিভিন্ন বিষয়ৰ জ্ঞান আহৰণ অতি সুন্দৰভাৱে কৰিব পৰা হ'ব। শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক এই ধৰণৰ সুবিধা দিবলৈ পৰিবেশৈই বিচাৰি নাপায়। কিন্তু তেওঁলোকে এই পৰিৱেশ বিদ্যালয়ত বা ইয়াৰ চাৰিওফালত যেনে— বাগিছা, খেতি পথাৰত, নৰ্দমাত, সৰু নলাত, ফুল, পখিলা, ৰাস্তাত, মাটি, গেট, চৰাইৰ বাঁহ ইত্যাদিতে পাব পাৰে।

অতি সূক্ষ্মভাৱে নিৰীক্ষণ কৰি এই বস্তুসমূহৰ ওপৰত ছাত্ৰ-ছাত্ৰীয়ে নিজৰ ভিতৰত কথোপকথন ৰাখিব পাৰে। ইয়াত শিক্ষকে ছাত্ৰ-ছাত্ৰীসকলক কথা ক'বলৈ প্ৰচুৰ সুবিধা প্ৰদান কৰি ক'বলৈ উৎসাহিত কৰিব পাৰে। যদিহে শিক্ষকে ছাত্ৰ-ছাত্ৰীক উৎসাহিত নকৰে তেন্তে তেনে ৰসাল কথোপকথন শ্ৰেণীৰ কক্ষত সংঘটিত নহ'ব। এইদৰে ছাত্ৰ-ছাত্ৰীৰ জীৱন আৰু অভিজ্ঞতাৰ লগত শ্ৰেণীকক্ষৰ সম্পৰ্ক স্থাপন কৰি ছাত্ৰ-ছাত্ৰীৰ স্বতঃস্ফুট আৰু স্বাভাৱিক শিক্ষণ কৰাব পাৰি।

টোকা

**তামাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৫**

১) ছাত্ৰ-ছাত্ৰীক কথোপকথনত জড়িত কৰোৱাৰ সুবিধাটো কি ?

(ক) নিজৰ অভিজ্ঞতা আৰু ভাৱ প্ৰকাশৰ বাবে সক্ষম হয়

(খ) শব্দবোৰ শিকে।

(গ) ধ্বনি সাদৃশ্য থকা শব্দবোৰ শিকে (ঘ) পঢ়িবলৈ শিকে

২) শিক্ষকে ছাত্ৰ-ছাত্ৰীক কথা ক'বলৈ সুবিধা প্ৰদান কৰাতো কিয় আৱশ্যক ?

........................................................................................................

........................................................................................................

........................................................................................................

৩) শ্ৰেণীকক্ষত ছাত্ৰ-ছাত্ৰীৰ কথোপকথনৰ শিক্ষণ-শিকন প্ৰক্ৰিয়াত মধ্যস্থতা কিদৰে কৰিবা ?

........................................................................................................

........................................................................................................

........................................................................................................

৪) তোমাৰ মতে শিক্ষণৰ সময়ত শ্ৰেণীকক্ষৰ পৰিৱেশ কেনে হোৱা উচিত ?

........................................................................................................

........................................................................................................

........................................................................................................

## 4.4.1 শুনিব আৰু গুণগুণাব পৰা কবিতা/শিশু উপযোগী/কৱিতা

*Amma's rotis*
*Round and small*
*Puffed up like a ping-pong ball.*
*Amma's rotis on a plate*
*I sat down and finished eight*
*I am a little tea pot*

## শিশুৱে গণিত কেনেকৈ শিকে ?



টোকা

*Short and stout*
*Here is my handle*
*Here is my spout*
*When I get all streamed up*
*Hear me shout*
*Pick me up and pour me out*
*One, two buckle my shoes*
*Three, four shut the door*
*Five, six pick up sticks*
*Seven, eight lay them straight*
*Nine, ten a big fat hen*

(১) এক দুই তিনি চাৰি
আমি হওঁ শাৰী শাৰী
পাঁচ ছয় সাত আঠ
আমি সবে পঢ়ো পাঠ
আঠৰ পাছত ন হ'ল
ঘৰা ঘৰি যাওঁ ব'ল।


(২) গোল গোল গোল
বলটো হ'ল গোল
আৰু আছে গোল
পূর্ণিমাৰ জোন
পূৱ আকাশত বেলিটো
দেখিছানে সোন
ঘূৰণীয়া মার্বল
নেখেলেনো কোন?
ঘূৰণীয়া ৰসগোল্লা
হোটেলতে পায়
মজা লাগে নাৰিকলৰ
লাডুবোৰ খয়।

আমি প্ৰায়ে দেখো যে ল'ৰা-ছোৱালীবোৰে গলিবোৰত আৰু চুবুৰীত শিশু উপযোগী চন্দযুক্ত গীত বা কবিতাসমূহ আন বন্ধুসকলৰ লগত গায়। যেতিয়া এই চন্দযুক্ত গীতবোৰ গাই তেওঁলোকে কোনোবাই গালি শপনি পাৰিব বুলি ভয় নকৰে, কোনোবাই শাস্তি দিব বুলিও, ঠাট্টা-মস্কৰা কৰিব বুলি নাভাবে। প্ৰতিটো শিশুৱেই এই গীতবোৰ ধ্বনি তীব্ৰ আৰু হ্ৰাসৰ প্ৰতি, চন্দযুক্ত শব্দবোৰৰ প্ৰতি, কবিতাবোৰৰ প্ৰতি আকৰ্ষিত হয়।

বহুত সময় দেখা যায় যে তেওঁলোকে এই চন্দযুক্ত কবিতাবোৰৰ শব্দবোৰৰ অৰ্থবোৰ বহলাই কিছুমান অৰ্থহীন কথাত ব্যৱহাৰ কৰে, আৰু সেইদৰে কৰি আনন্দ লভে। এই শব্দবোৰৰ সৈতে কৰা খেলাই তেওঁলোকৰ সৃজনী শক্তি আৰু শক্তি সামৰ্থ্য বিকশি কৰাত আচৰিত ধৰণৰ ভূমিকা পালন কৰে।

*Five little monkeys*
*Jumping on the bed*
*One fell down and*
*Bumped his head*
*Mama called doctor*
*Doctor said*
*No more monkey jumping on the bed*

(৩) এদিন এটা বগলীয়ে
মিছা কথা ক'লে,
ঠেং এটা চুটি হ'ল
মিছা মাছে খালে।



টোকা



(৪) খঁৰা শিয়ালৰ বিয়া হ'ল
নীলা কাপোৰ পিন্ধি
বান্দৰে মিঠাই খালে
গছৰ ডালত উঠি।

সাধাৰণতে যেতিয়া গীতবোৰ গাই থাকে, ল'ৰা-ছোৱালীবোৰে নতুন নতুন শব্দবোৰ যোগ দিয়ে আৰু আগৰবোৰ আঁতৰাই দিয়ে, কিন্তু ছন্দযুক্ত কবিতাৰ ধ্বনি সাদৃশ্য ভাঙি নেপেলায়। উদাহৰণ স্বৰূপে ৪ বছৰীয়া এটি শিশুৱে এইদৰে গাইছে—

(৫) ম'হৰ পিঠিত বগলী
কৰি আছে জপ
মহ মাখি যি পায়
গিলে টপাটপ
সৰু সৰু হাঁহবোৰ
পুখুৰীত চৰে
খাবলৈ বিচাৰি
তললৈ ডুব মাৰে।

কবিতা হৈছে এটা সম্ভাৱনাপূৰ্ণ মাধ্যম যিয়ে আমাক প্ৰকাশ কৰাব পাৰে আৰু আমাৰ জীৱনৰ লগত জড়িত কৰাব পাৰে। নিয়মিতভাৱে কবিতা আৰু গীতবোৰ শুনি থাকিলে শিশুৱে ভাষাৰ মূল গঠনবোৰ যুঁজিব পৰা হয়। উদাহৰণ স্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে নতুন শব্দ এটিৰ অৰ্থ বুজিব পৰা হয়, চন্দ মিলাব পৰা হয়, কবিতাৰ ধ্বনি তীব্ৰ আৰু হ্ৰাস কৰি খেলিব পৰা হয়, একে সময়তে কবিতাবোৰে ল'ৰা-ছোৱালীবোৰক তেওঁলোকৰ অভিজ্ঞতাৰ লগত সংলগ্ন কৰায়। যদি একেটা কবিতা দুটা বেলেগ ল'ৰাই পঢ়ে তেন্তে তেওঁলোকে নিজৰ অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি কবিতাটোৰ ভাবাৰ্থ আন ধৰণে বুজিব।

**তামাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৬**

১) ল'ৰা-ছোৱালীয়ে নিয়মিতভাৱে কবিতা আৰু চন্দ মিলোৱা কবিতা সমূহ শুনিলে কি বুজে ?

(ক) শব্দ (খ) ধ্বনি (গ) পৰ্যায়ক্ৰমে ধ্বনিৰ তীব্ৰ আৰু হ্ৰাস
(ঘ) ভাষাৰ মৌলিক গঠন

২) তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীক এই কবিতাটো গাবলৈ দিয়া "Walking through the jungle" সিহঁতক কোৱা যে কবিতাটি আগলৈ শাৰী বঢ়োৱা। তেওঁলোকে যোগ কৰা শাৰীবোৰ আলোচনা কৰা আৰু কি কাৰণে তেওঁলোক সেই শাৰীবোৰ লিখিছিল বিচাৰ কৰা।

টোকা

জঙ্ঘলৰ মাজেৰে গৈ থাকি কি দেখিছিলো ?
এটা প্ৰকাণ্ড সিংহই
মোক গুজৰিছে।
জঙ্ঘলৰ মাজেৰে গৈ থাকি
কি দেখিছিলো ?
এটা দীঘল সাপ
মোৰ ফালে ফোঁচ ফোঁচালে
জঙ্ঘলৰ মাজেৰে গৈ থাকি
কি দেখিছিলো
এটা কণ মানি বান্দৰ মোৰ ওপৰত চিৎকাৰ কৰিলে ?

৩) ভাষা শিক্ষণৰ ক্ষেত্ৰত কবিতাটোৰ সহায়ত ল'ৰা-ছোৱালীক কেনে ধৰণৰ সুবিধা প্ৰদান কৰা হৈছে?

## ৪.৪.২ ছবিৰ সহায়ত আলোচনা কৰা—

ছবি হৈছে এনে এটা মাধ্যম যাৰ সহায়ত আমি কথোপকথনৰ সুবিধা পাওঁ, আৰু প্ৰথম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত আলোচনা কৰিবলৈ সুবিধা পাওঁ। প্ৰাথমিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ ছবিৰ প্ৰতি দুৰ্বলতা থাকে, তেওঁলোকে ছবি নিৰীক্ষণ কৰে আৰু আঁকি আনন্দ লাভ কৰে। যিকোনো এখন কিতাপৰ ছবিয়েই ছাত্ৰ-ছাত্ৰীৰ মনোযোগ আকৰ্ষণ কৰে। ছবিৰ বিষয়ে স্বতঃস্ফূতভাৱে ছাত্ৰ-ছাত্ৰীক কোৱাটো সহজ। ছাত্ৰ-ছাত্ৰীয়ে একেবাৰে কাষৰ পৰা ছবি নিৰীক্ষণ কৰে আৰু অসংখ্য কথা উল্লেখ্য কৰে, যিবোৰ আমাৰ কল্পনাৰ বাহিৰত।

যেতিয়া আমি ছবি এখন তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত আলোচনা কৰো আমি দেখো যে ছবিখনৰ বিষয়বস্তু সুস্পষ্টভাৱে জনাৰ উপৰিও তেওঁলোকে নিজৰ পৰ্যবেক্ষণৰ লগত অভিজ্ঞতাৰ সম্পৰ্ক স্থাপন কৰি যুক্তিসংগতভাৱে বিচাৰ কৰি বিবৃতি দিব পৰা হয়। যিয়েই হওঁক সকলোৰে নিজা দৃষ্টিভঙ্গি বা দূৰদৃষ্টি আছে। তাৰে কিছুমান উদাহৰণ এনেদৰে দিব পাৰি।

(ক) মানুহজনে গাইজনীলৈ গৈ আছে। এজন মানুহে ষাড়গৰুটো বান্ধি আছে। এজন ল'ৰাই জুপুৰীটোত সোমাব ধৰিছে।

(খ) ছোৱালী এজনীয়ে গছডালত বগাই আছিল; এজন ল'ৰাই তাইক বাধা দিছিল যে গছডাল বহুত ডাঙৰ তাই আঘাত পাব পাৰে। ছোৱালীজনী গছডালত ওলমি আছিল। গছবোৰ লৰি আছে। পাহাৰখনৰ ওপৰত বহুত গছ গজিছে।

(গ) ৰাতিপুৱা সূৰ্য্য ওলায়, চৰাইবোৰে ৰাতিপুৱা উৰি ফুৰিছে। সূৰ্য্যটো ওলাইছে। এতিয়া আবেলি। সূৰ্য অস্ত গৈছে।

টোকা

(খ) গৃহিনী ঘৰলৈ গৈ আছে। মানুহ গৰাকীয়ে পানী লৈ গৈ আছে।

(ঙ) দুটা কনামুচৰী উৰি ফুৰিছে।

এই বাক্যবোৰে অভ্যাস দিয়ে যে ছাত্ৰ-ছাত্ৰীয়ে এখন ছবিৰ ওপৰত বিভিন্ন ধৰণৰ কথোপকথন কৰিব পাৰে। ছবিৰ ওপৰত ৰখা কথোপকথনে ছাত্ৰ-ছাত্ৰীৰ সৃষ্টিশীল সম্ভাৱনীয়তা বৃদ্ধি কৰে আৰু ছাত্ৰ-ছাত্ৰীৰ সক্ষমতাক বিশ্লেষণ কৰে। এই ছবিসমূহ বাতৰি কাকতৰে হওঁক, বিজ্ঞাপনৰে হওঁক, ডাক টিকটৰে হওঁক, কেলেণ্ডাৰৰ পিছফালে ছপা হোৱাই হওঁক। এই ছবিসমূহ বিভিন্ন প্ৰকাৰে ব্যৱহাৰ কৰিব পাৰি, উচ্চ প্ৰাথমিক পৰ্যায়তো কথোপকথন আৰম্ভ কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি।

ছাত্ৰ-ছাত্ৰীৰ মাজত বহি তেওঁলোকক এখন ছবি চাবলৈ দি, স্বাধীনভাৱে মনৰ ভাব প্ৰকাশ কৰিবলৈ দিয়াটো অতি দৰকাৰী, ইয়ে অদমিত মনৰ ভাৱ প্ৰকাশত সহায় কৰে।

ছবিৰ বিষয়বস্তুবোৰ ছাত্ৰ-ছাত্ৰীয়ে মনোযোগ নিদিলে শিক্ষকে প্ৰশ্নৰ মাধ্যমেৰে লক্ষ্য কৰাব পাৰে। এইদৰে ছাত্ৰ-ছাত্ৰীৰ জটিল পৰ্যবেক্ষণৰ উন্নতি সাধন কৰাব পাৰি। ছবিৰ ওপৰত কথোপকথন চলি থাকোতেও প্ৰশ্নসমূহ সুধিব পাৰে, এইদৰে ছাত্ৰ-ছাত্ৰীৰ কথোপকথন কৌশল তীক্ষ্ণ কৰিবলৈ সুবিধা দিব পাৰি। প্ৰশ্নসমূহ এনে হ'ব লাগে যাতে ই ছাত্ৰ-ছাত্ৰীক নিজৰ অভিজ্ঞতাৰ সহায়ত বিষয়বস্তুৰ যুক্তি বিচাৰ, কল্পনাশক্তি, পূৰ্ব অনুমান, ঘটনা ইত্যাদিৰ সংযোগ ঘটাই বিচাৰি উলিওৱাত সহায় কৰে। উদাহৰণ স্বৰূপে এই প্ৰশ্নসমূহ ওপৰৰ ছবিৰ দ্বাৰা দেখুৱাই দিয়া হৈছে যে কিদৰে প্ৰশ্ন সুধি কথোপকথন আগবঢ়াই নিব পাৰে।

গছৰ ডালৰ তলত কি কি ৰখা হৈছে? (উদ্‌ঘাটন কৰা) ছোৱালীজনীয়ে কুঁৱাটোৰ কাষত থিয় হৈ কিয় কান্দি আছে? (যুক্তিৰে বিচাৰ কৰা)

মহিলাসকলে গাঁৱৰ কুঁৱাটোৰ কাষত থিয় হৈ কি কথা পাতি আছে? (কল্পনা কৰা)


মহিলাসকলে এসময়ত ঘৰ পাই কি কৰিব? (অনুমান কৰা) তুমি কেতিয়াবা এখন গাঁৱলৈ গৈছানে? যদি গৈছা তেন্তে তুমি তাত কি কি দেখিছিলা? (সম্বন্ধ স্থাপন কৰা)

**তামাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৭**

১) ছাত্ৰ-ছাত্ৰীক ছবিখন দেখুৱাই সুধিব লাগে যে গছৰ তলত কি কি ৰখা আছে? এই উপস্থাপনে কি সুবিধা দিয়ে?

(ক) যুক্তি দেখুওৱা (খ) উদ্‌ঘাটন কৰোৱা

(গ) কল্পনা কৰোৱা (ঘ) সম্বন্ধ স্থাপন কৰোৱা




টোকা

ছবি

২) এই ছবিখন সম্পৰ্কে ছাত্ৰ-ছাত্ৰীৰ লগত কি কি কথা আলোচনা কৰিব পৰা যায়? প্ৰশ্নসমূহ সাজা আৰু তৃতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত অনুশীলন কৰোঁৱা আৰু তোমাৰ অভিজ্ঞতাসমূহ লিখি উলিওৱা।

## ৪.৪.৩ সাধু কোৱা/সাধু শুনা

প্ৰাথমিক পৰ্যায়ত ভাষা শিক্ষণত সাধু কোৱা আৰু সাধু শুনাই সহায় কৰে। সাধু শুনিলে ছাত্ৰ-ছাত্ৰীৰ মনোযোগ বাঢ়ে আৰু সৃজনীশীলতা বৃদ্ধি হয়। প্ৰায়ে দেখা যায় যে শিশুৱে নিজে শুনা সাধুসমূহ বন্ধুৰ আগত বৰ্ণনা কৰোতে নিজৰ মতে, তৈয়াৰ কৰি লয়। এইদৰে শিশুৱে শব্দবোৰৰ অৰ্থ বুজি উঠাৰ উপৰিও বিভিন্ন ঘটনা সমূহৰ বিষয়ে ভাল ধৰণেৰে বুজি উঠে, এইটোৱে শিশুৰ কল্পনা শক্তি বৃদ্ধি কৰে। সাধুসমূহ আন এক প্ৰকাৰে লাভজনক যে ই ছাত্ৰ-ছাত্ৰীয়ে চালি-জাৰি চোৱা বা অনুমান কৰাৰ ক্ষমতা বৃদ্ধি কৰে। উদাহৰণ স্বৰূপে ছাত্ৰ-ছাত্ৰীয়ে যেতিয়া এটা সাধু শুনে তেওঁলোকে তেতিয়া উদ্বিগ্ন হৈ উঠে যে ইয়াৰ পিছত কি ঘটিব। তেওঁলোকে নিজৰ বোধশক্তিৰ ওপৰত ভিত্তি কৰি অনুমান কৰি লয়, যদিহে সাধুটো তেওঁলোকে ভবাৰ দৰে আগবাঢ়ে তেন্তে তেওঁলোক দৃঢ় বিশ্বাসী হয় যে তেওঁলোকৰ অনুমান শুদ্ধ। এইদৰে সাধুবোৰে ছাত্ৰ-ছাত্ৰীক নিজৰ ভৱিষ্যৎ জীৱন গঢ়াত সহায় কৰে। উদাহৰণ স্বৰূপে ‘সিংহ আৰু নিগনিৰ’ সাধুটোৱে সিঁহতক জীৱনৰ সংঘাতসমূহ অতিক্ৰম কৰিবলৈ মানসিকভাৱে প্ৰস্তুত কৰি তোলে। এই ‘সাধু শুনা’ ব্যৱস্থাত আমি আমাৰ জীৱনৰ অভিজ্ঞতাসমূহ জড়িত কৰিব পাৰো। কেতিয়াবা যদি সাধু কওঁতাই কোনোবা কথা অতি গুৰুত্বপূৰ্ণ বুলি ভাবে তেন্তে তেওঁ সেই অংশ বঢ়াই ক’ব পাৰে। যেতিয়া এই কাম কৰা হয় তেতিয়া ইয়াক লক্ষ্য ৰখা উচিত যে এই কথাই যাতে শিশুৰ জীৱন গঢ়াত, চৰিত্ৰ গঠনত আৰু শিশুৰ মনোযোগ আকৰ্ষণ কৰাত সুবিধা হয়। মুঠৰ ওপৰত সাধু কওঁতাৰ মূল উদ্দেশ্য হৈছে সাধুটোত মনোযোগ বৃদ্ধি কৰা। যেতিয়াই সাধু টোত নতুন শব্দ ব্যৱহাৰ কৰা হয় ছাত্ৰ-ছাত্ৰীয়ে শব্দটোৰ অৰ্থ অনুমান কৰি লয় সাধু কওঁতাৰ প্ৰকাশভঙ্গি নিৰীক্ষণ কৰি। এইটোৱে সিহঁতক শব্দ ভাণ্ডাৰ বৃদ্ধি কৰাৰ উপৰিও শুনা-বুজা আৰু অনুমান কৰাত অৰিহনা যোগায়।



টোকা

সাধু এটা শুনাৰ পিছত আলোচনা কৰাটো এটা জটিল কাম কিন্তু যদিহে শিক্ষকে এই উদ্দেশ্য বা লক্ষ্য লৈ আগবাঢ়ে তেন্তে এইটো উৎকৃষ্ট মাধ্যম হ'ব। প্ৰায়ভাগ শিক্ষকে ভাৱে যে সাধুটো কোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীক সাধু শুনি কি শিক্ষা লাভ কৰিলে সোধাটো তেওঁলোকৰ অধিকাৰ। আনহাতে এটা অৰ্থপূৰ্ণ কথোপকথন আগবঢ়াই নিবলৈ হ'লে এইদৰে প্ৰশ্ন উত্থাপন কৰাটো শুদ্ধ নহয়। ছাত্ৰ-ছাত্ৰীক সাধু কোৱাটো যেনে আৱশ্যকীয়, তেওঁলোকৰ পৰা সাধু শুনাটোত তেনে প্ৰয়োজনীয় কথা। এইটোৱে সিহঁতক নিজকে প্ৰকাশ কৰাৰ ক্ষমতা বৃদ্ধি কৰাত সহায় কৰে। শিক্ষকে কোৱা সাধু কথা পুনৰ ছাত্ৰ-ছাত্ৰীক ক'বলৈ দিয়াতকৈ তেওঁলোকক নিজে ভাল পোৱা সাধু এটা ক'বলৈ দিলে বেছি উপকৃত হ'ব। যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে সাধুটোৰ ব্যক্তিত্ব আৰু চৰিত্ৰক সমৰ্থন কৰে তেতিয়া শিশুৱে নিজৰ অভিজ্ঞতাত অন্তৰ্ভুক্ত কৰি লয়। শ্ৰেণীকক্ষৰ প্ৰতিটো শিশুকেই স্বাধীনভাৱে সাধুটোৰ ওপৰত কিবা নহয় কিবা ক'বলৈ দিব লাগে আৰু নিজৰ কল্পনাৰ দ্বাৰা সাধুটো বঢ়াইও ক'বলৈ দিব লাগে।

**তোমাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৮**

১) ছাত্ৰ-ছাত্ৰীক সাধু কোৱাৰ উপৰিও, কি কৰোৱা আৱশ্যক ?

(ক) সাধুটো পঢ়িবলৈ দিয়া (খ) সাধুটো মনত ৰাখিবলৈ দিয়া,

(গ) সাধুটো মুখস্থ গাবলৈ দিয়া (ঘ) তেওঁলোকৰ সাধু শুনা

২) প্ৰথম আৰু দ্বিতীয় শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ লগত কথা পাতোতে তেওঁলোকক সোধা উচিত কেনে সাধু তেওঁলোকে শুনিবলৈ ভাল পায়। বৰ্জেত সাধুবোৰৰ নামবোৰ লিখিব লাগে, আৰু ছাত্ৰ-ছাত্ৰীক সেইনামবোৰৰ সহায়ত সাধু কবলৈ দিব লাগ।

..........................................................................................

..........................................................................................

..........................................................................................

৩) সাধু এটা তৈয়াৰ কৰিবলৈ যাওঁতে প্ৰতিটো শিশুক এটা শাৰীকৈ অংশগ্ৰহণ কৰিবলৈ দি তুমি (শিক্ষকে) শাৰীবোৰ ব'ৰ্ডত লিখি যাবা, তোমাৰ অভিজ্ঞতাসমূহ আনলৈ আগবঢ়াই দিয়া—

(ক) কি কি শব্দৰ ওপৰত সাধুটো ৰখা হৈছে?

(খ) ছাত্ৰ-ছাত্ৰীয়ে তৈয়াৰ কৰা সাধুটো কি আছিল ?

(গ) গোটেই প্ৰক্ৰিয়াটোত তোমাৰ ভূমিকা কেনে আছিল ?

(ঘ) এই প্ৰক্ৰিয়াটোত তুমি কি কি অসুবিধাৰ সন্মুখীন হৈছিলা ?

## 4.4.4 নাটকৰ মাধ্যমত ভাষাৰ উন্নয়ন/নাটঘৰ/অভিনয় কৰা



টোকা

নাটক ছাত্ৰ-ছাত্ৰীৰ বাবে নতুন বস্তু নহয়। আমি প্ৰায়ে দেখো যে ছাত্ৰ-ছাত্ৰীয়ে চিত্ৰকথা বা চিনেমাৰ চৰিত্ৰসমূহ অনুকৰণ কৰে, মাক-দেউতাক হৈ খেলা-খেলে, পুতলাৰ বিয়া, স্কুল স্কুল খেলে। এইদৰে খেলাৰ মাজতে তেওঁলোকে নাটকৰ অভিনয় কৰে, কাৰোবাক অনুকৰণ কৰে, কিছুমান কথা বঢ়াই কয় আৰু ক্ষমাও খোজে। প্ৰতিটো শিশুৰেই অভিনয় কৰাৰ কৌশল আছে, কিন্তু তেওঁলোকে শ্ৰেণীকক্ষত সেই কৌশল ব্যৱহাৰ কৰিবলৈ একেবাৰে সুবিধা নাপায়। ইয়াৰ কাৰণ হ'ল এই অভিনয় কাৰ্যবোৰ কেৱল স্কুলৰ বছৰেকীয়া অধিবেশনহে পতা হয় বা কোনো বিশেষ নিমন্ত্ৰিত অতিথি স্কুললৈ আহিলেহে নাটক কৰা হয়। তেনে প্ৰেক্ষাপতত নাটকৰ কথোকথন শিক্ষকে লিখি উলিয়াই আৰু সেয়েহে অভিনয় কৰাৰ ক্ষেত্ৰত জটিল সমস্যাই দেখা দিয়ে। শ্ৰেণীকক্ষত অভিনয় কৰাটো প্ৰতিদিনৰ কাৰ্য্য হিচাপে ব্যৱহাৰ কৰা ইয়াৰ লগত একেবাৰে বেলেগ কথা।

ভাষা শিক্ষণৰ কাৰ্য্য হিচাপে নাটকৰ ব্যৱহাৰ কৰিবলৈ হ'লে আমি স্বাধীনতা আৰু আনন্দলাভ দুয়োটাৰ বৈশিষ্ট সংযোগ কৰিব লাগিব। শ্ৰেণীকক্ষত নাটক কৰিবলৈ শিক্ষকে বা ছাত্ৰ-ছাত্ৰীয়ে কোনো বিশেষ আয়োজন কৰিব নালাগে। শিক্ষকে কেৱল ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ অভিজ্ঞতাসমূহ স্বাভাৱিকভাৱে প্ৰকাশ কৰিবলৈ উৎসাহিত কৰিব লাগে। নাটকৰ বাবে প্ৰাথমিক পৰ্যায়ত যিকোনো ঘটনা, সাধু কথা চিত্ৰকথা, যিবোৰ ছাত্ৰ-ছাত্ৰীয়ে তেওঁলোকৰ নিজৰ পৰিৱেশত দেখা পায় তাক বিষয়বস্তু হিচাপে ল'ব পাৰে। উদাহৰণ স্বৰূপে যিকোনো এটা জীৱ-জন্তু, ইয়াৰ গতিবিধি, ইয়াৰ বৰণ, আকৃতি-প্ৰকৃতি, মনোভাৱ ইত্যাদি। প্ৰাথমিক পৰ্যায়ত শিক্ষকে ছাত্ৰ-ছাত্ৰীক এনেদৰে অনুপ্ৰাণিত কৰিব লাগে যাতে তেওঁলোকে নিজে সৰু সৰু গোটত বিভক্ত হৈ কোনোৱে হয়তো বিষয়বস্তু বাছনি কৰিব, কোনোৱে 'কথোপকথন' তৈয়াৰ কৰিব আৰু কোনোবা তাক নাটকৰ ৰূপ দিব, অভিনয় কৰিব। একে সময়তে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকৰ বংশ-পুৰুষাণুক্ৰমে চলি অহা খেলবোৰ, লোককথাৰ ওপৰতো নাটক ৰচিত কৰি অভিনয় কৰিবলৈ অনুপ্ৰাণিত কৰিব লাগে, এইটোৱে তেওঁলোকৰ সৃজনীশীল মনোভাৱ বৃদ্ধি কৰাৰ উপৰিও নিজৰ সাংস্কৃতিক পৰিৱেশৰ লগত জড়িত কৰাত সহায় কৰিব।


টোকা

## 4.4.5 সহঃ বিদ্যায়তনিক ক্রিয়াকলাপ

শ্রেণীকক্ষত ছাত্র-ছাত্রীক শ্রৱণ আৰু কথনৰ সুবিধা প্রদান কৰিবলৈ হ'লে শিক্ষকে আন কিছুমান ক্রিয়াকলাপ হাতত ল'ব লাগিব। ক্রিয়াকলাপবোৰ যিবোৰ ছাত্র-ছাত্রীক ভাবি-চিন্তি চোৱাৰ সুবিধা দিয়ে, নিজৰ মনৰ ভাববোৰ নিজৰ কথাত প্রকাশ কৰিব পাৰে, সেইটো অতি আৱশ্যকীয় কথা। আকস্মিকভাৱে কৰিবলৈ দিয়া ক্রিয়াকলাপ যিটোক ছাত্র-ছাত্রীক বিষয়বস্তু এটাৰ ওপৰত নিজৰ অভিমত লগে লগে উপস্থাপন কৰিবলৈ দিয়া হয় ই প্রত্যাহ্বানমূলক আৰু উৎপাদনমূলক হয়। এইটো আকর্ষণীয় কৰিবলৈ আমি কিছুমান আমোদ লগা বিষয়বস্তু বাছনি কৰিব পাৰো যাতে ছাত্র-ছাত্রীয়ে শ্রৱণ আৰু কথনত আনন্দ পায়। যেনে "যদি মই আল্লাউদিনৰ চাকিটো পালোহেঁতেন', 'যদি মই এজন যাদুকৰ হ'লোহেঁতে', 'যদি মই এজন ভাৰবীয়া হ'লোহেঁতেন।"

দ্বিতীয় ক্রিয়াকলাপ হৈছে তর্ক প্রতিযোগিতা। ইয়াত ছাত্র-ছাত্রীয়ে নিজৰ অভিমত বিষয়বস্তু সপক্ষে বা বিপক্ষে দাঙি ধৰি প্রতিপক্ষৰ যুক্তিক খণ্ডন কৰি এনেভাৱে নিজৰ যুক্তি দাঙি ধৰিব লাগে যে অধ্যক্ষই তেওঁৰ কথাত প্রভাৱিত আৰু প্রতিপন্ন হৈ মানি ল'ব লগা হয়আৰু দর্শকেই মানি লয়। উদাহৰণ স্বৰূপে "বাণিজ্য মুকলি হ'ব লাগে বা বাধা থাকিব লাগে", "অসংযতভাৱে তৈয়াৰ কৰা আহাৰ বিপৰীতে স্বাস্থ্য'। সকলো স্তৰৰ ল'ৰা-ছোৱালীৰ বাবে এই ধৰণৰ বিষয়বস্তুৰ ওপৰত তর্ক প্রতিযোগিতাৰ আয়োজন কৰিব পৰা যায়। এই ক্রিয়াকলাপমসূহৰ জড়িয়তে ল'ৰা-ছোৱালীয়ে নিজৰ ভাৱ, নিজৰ বক্তব্যৰ মাজত এটা সম্বন্ধ স্থাপন কৰি, নিয়মানুসাৰে সংগঠিত কৰি নিজৰ অভিজ্ঞতাৰ যুক্তিসংগত বিশ্লেষণ কৰিবলৈ সুবিধা পায়। তেওঁলোক এজন ভাল বক্তা হ'ব পাৰে আৰু এজন ভাল শ্রোতা হ'ব পাৰে।

এই কার্যটো সম্পন্ন কৰিবলৈ শিক্ষকে আৰম্ভণিৰে পৰা ছাত্র-ছাত্রীক বাৰে বাৰে শিকাই ধৈর্য্য সহকাৰে শুনাৰ অভ্যাস আৰু আনৰ মতামতক সন্মান কৰিবলৈ অভ্যাস গঢ়ি তুলিব পাৰে।



টোকা

**তোমাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা-৯**

১) ছাত্ৰ-ছাত্ৰীয়ে এখন শিশু উপযোগী নাটত জড়িত হৈ পৰিছিল, ‘অনুকৰণ কৰা’ ‘বঢ়াই কোৱা’, ‘ক্ষমা কৰা’।

ছাত্ৰ-ছাত্ৰীৰ কোনটো কৌশল ইয়াৰ পৰা সুস্পষ্টভাৱে ওলাই আছে?

(ক) কোৱাৰ কৌশল (কথন)  (খ) কথোপকথন কৌশল

(গ) মনত ৰখা কৌশল  (ঘ) অভিনয় কৰা কৌশল

২) সকলোৰে সন্মতি সাপেক্ষে এটা বিষয়বস্তু বাছি লোৱা আৰু সপ্তম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ মাজত এটা আকস্মিক বক্তৃতা অনুষ্ঠিত কৰা। তোমাৰ নিজৰ অভিজ্ঞতা লিখা।

....................................................................................................

....................................................................................................

....................................................................................................


....................................................................................................

## 4.5 শুদ্ধতা বিপৰীতে বাকপটুতা বা সলসলীয়াকৈ ক’ব পৰা গুণ/সাৱলীল কথন—

ভাষাৰ দক্ষতা বৃদ্ধি কৰিবলৈ হ’লে শুদ্ধতা বা সঠিকতা আৰু বাক্‌পটুতা বা কথাৰ স্বচ্ছন্দতা, এই দুই মৌলিক উপাদানক জড়িত কৰাব লাগিব।

এটা শিশুৰ ভাষা শিক্ষণৰ ক্ষেত্ৰত এই দুই উপাদানৰ ভূমিকা কি? আৰু শিক্ষক হিচাপে ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষণৰ সময়ত ক’ত বেছিকৈ মনোযোগ আকৰ্ষণ কৰোৱা উচিত? এই বিষয়কেইটাৰ ওপৰত চিন্তা চৰ্চা কৰিব লাগে।

যিটো অৰ্হতাৰ সহায়ত শিক্ষাৰ্থীয়ে শুদ্ধকৈ বাক্য এটা উচ্চাৰণ কৰিব পৰা হয়, শুদ্ধ ব্যাকৰণ আৰু পৰিভাষা ব্যৱহাৰ কৰিব পৰা হয় তাকে কোৱা হয় শুদ্ধতা। প্ৰাথমিক পৰ্যায়ত শিশুৰ শুদ্ধতা, এজন প্ৰাপ্ত বয়স্ক মানুহৰ শুদ্ধতাৰ লগত ব্যৱধান থাকে। আমি অধ্যায় তিনিত যেতিয়া পঢ়িছিলো, প্ৰত্যেক আৰু প্ৰতিটো পৰ্যায়তে শিশুৱে ভাষা শিকে তেতিয়াহে যেতিয়া তেওঁলোকে ভুল কৰে। এটি শিশুৰ ভাষা গঠনৰ ভুলে ভাষা শিকাত সহায় কৰে। একে সময়তে এই ভুলৰ লগে লগে শিশুটোৱে ভাষাৰ নিয়ম কিছুমান আপুনাআপুনি অনুসৰণ কৰে। উদাহৰণ স্বৰূপে এবছৰীয়া শিশু এটাই নিজৰ মনৰ ভাৱ এইদৰে প্ৰকাশ কৰে।



টোকা

"মা দাদা স্কুলত গ'ল"

"আমাৰ পাৰ চৰাই গ'ল গছত পৰিল"।

'দেউতা দোকান গ'ল বেলুন আনিব।"


ইয়াৰ তিনিওটা বাক্যত শিশুটোৱে 'যোৱা' বুজাবলৈ 'গ'ল শব্দ ব্যৱহাৰ কৰিবলৈ শিকিছে। ইয়াত প্ৰথম বাক্যত 'গ'ল' ক্ৰিয়াপদ, যিটোৱে কাৰ্য সমাপন কৰিছে। গতিকে ইয়াত 'গ'ল' সমাপিকা ক্ৰিয়া। দ্বিতীয় বাক্যত 'গ'ল' কাৰ্যটো সমাপ্ত হোৱা বুজোৱা নাই, ইয়াত কাৰ্যটো অসমাপ্ত হৈ আছে, গতিকে ইয়াত ৰূপটো এনে হ'ব লাগিছিল— "আমাৰ পাৰ চৰাই উৰি গৈ (গ'ল) গছত পৰিল।" ইয়াত 'গৈ' ক্ৰিয়াপদটো অসমাপিকা ক্ৰিয়া। ঠিক তেনেদৰে দেউতা দোকান গৈ (গ'ল) বেলুন আনিব', 'গৈ' অসমাপিকাক্ৰিয়া এই ক্ৰিয়াই মূল ক্ৰিয়া পদৰ অৰ্থ বুজোৱাত সহায় কৰে বাবে ইয়াক সহায়কাৰী ক্ৰিয়া বুলিও কোৱা হয়। শিশুটোৱে যদিও ভাষা গঠনৰ নিয়মবোৰ জনা নাই কিন্তু বাক্যবোৰত কিছু হ'লেও ভাষা গঠনৰ নিয়ম পালন কৰিছে।

শিক্ষণৰ দক্ষতা বা নিপুনতাৰ প্ৰমাণপত্ৰ, বাক পটুতাৰ অৰ্থই ইয়াকে বুজায় যে শিশু এটিয়ে সলসলীয়াকৈ নিজকে প্ৰকাশ কৰিব পাৰে কথন, পঠন আৰু লিখনৰ দ্বাৰা। এইক্ষেত্ৰত বাক্যৰ অৰ্থ আৰু আনুষংঙ্গিক কথাৰ ওপৰত বেছিকৈ গুৰুত্ব দিয়া হয়, ব্যাকৰণৰ ভুলৰ ওপৰত গুৰুত্ব দিয়া নহয়।

আজি কালি ভাষা শিক্ষণৰ শিক্ষকে দোধোৰ মোধোৰ অৱস্থাৰ মুখামুখী হয়, কিন্তু কেৱল দুই এজনেহে কথাটো গুৰুত্ব সহকাৰে অনুসন্ধান চলায়। দুয়োটা দূৰদৃষ্টি আমাৰ চকুৰ আগত আছে।

গতানুগতিক শিক্ষকে ভাষা শিক্ষণৰ ক্ষেত্ৰত শুদ্ধতাৰ ওপৰত অধিক গুৰুত্ব দিয়ে, তেওঁলোকে ছাত্ৰ-ছাত্ৰীক শুদ্ধ ব্যাকৰণৰ সংজ্ঞাৰ জড়িয়তে পঢ়িবলৈ আৰু লিখিবলৈ জোৰ দিয়ে। এইটোৰ বাবে তেওঁলোকে ছাত্ৰ-ছাত্ৰীক পৰীক্ষা কৰে বিভিন্ন সাময়িক মূল্যায়নৰ জৰিয়তে। প্ৰায়ভাগ শ্ৰেণীতেই ছাত্ৰ-ছাত্ৰীসকলক নিজৰ ভুলবোৰ চিনাক্ত কৰি নিজৰ উন্নতি সাধন কৰিবলৈ সুবিধা দিয়া নহয়। পৰীক্ষাকেন্দ্ৰিক ব্যৱস্থা শুদ্ধতাৰ ওপৰত ভিত্তি কৰি ভৱিষ্যতৰ আশাৰে দৃষ্টি ৰখা এক ব্যৱস্থা।

আন এদল শিক্ষকে বিশ্বাস কৰে যে ভাষা হৈছে মানুহৰ মনৰ ভাৱ আৰু অভিজ্ঞতা প্ৰকাশৰ এক মাধ্যম। ব্যাকৰণৰ সলনি তেওঁলোকে অৰ্থ বুজা আৰু অভিমত গ্ৰহণত প্ৰাধান্য দিয়ে, তেওঁলোকে ইয়াত গুৰুত্ব দিয়ে যে ছাত্ৰ-ছাত্ৰীয়ে সলসলীয়াকৈ কথা ক'ব পৰা হয়, আৰু তেওঁলোকে এনেভাৱে প্ৰকাশ কৰিব পৰা হয় শুনোতাই শুদ্ধভাৱে বুজি পায়। এই শিক্ষকসকলে বিশ্বাস কৰে যে যিহেতু আৰম্ভণি কৰা হ'ল যিমানেই ছাত্ৰ-ছাত্ৰীয়ে ভাষা ব্যৱহাৰ কৰিব সিমানেই তেওঁলোকৰ



টোকা

বাকপটুতা বৃদ্ধি পাব।

এই দুই ব্যৱস্থাৰ ওপৰত দৃষ্টি ৰাখি থিৰাং কৰিব পাৰি যে দুয়োটা ব্যৱস্থাই নিজৰ নিজৰ দৃষ্টিত শুদ্ধ। ভাষা শিকিবলৈ হ'লে এই দুই দৃষ্টিভংগীৰ দ্বাৰা কৌশল আয়ত্ব কৰিব লাগিব। দশম শ্ৰেণীত উপনীত হোৱাৰ লগে লগে ছাত্ৰ-ছাত্ৰীয়ে সলসলীয়াকৈ ভাষাৰ ব্যৱহাৰ জানিব লাগিব। তেতিয়াই আমি ভাষাৰ শুদ্ধতাৰ ওপৰত জোৰ দিব লাগিব। কিয়নো সময়মতে আৰু উপযুক্তভাৱে কৰা সহায়ে ছাত্ৰ-ছাত্ৰীৰ ভাষাৰ উন্নতিৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

**তোমাৰ অগ্ৰগতিৰ নিৰীক্ষণ কৰা - ১০**

১) 'মোৰ এখন গাড়ীৰ আৱশ্যক।' ইয়াত আৱশ্যক শব্দটো কি ?

(ক) অসমাপিকা ক্ৰিয়া (খ) বিশেষণ

(গ) বিশেষ্য (ঘ) ক্ৰিয়াপদ

২) 'শুদ্ধতা' আৰু 'বাকপটুতা' কি ? তোমাৰ নিজৰ ভাষাত ব্যাখ্যা কৰা।

..........................................................................................................

..........................................................................................................

..........................................................................................................


৩) তোমাৰ মতে 'শুদ্ধতা' আৰু 'বাকপটুতা'ৰ ভিতৰত ভাষা শিক্ষণৰ ক্ষেত্ৰত কোনটো বেছি অৰ্থপূৰ্ণ হয়।

..........................................................................................................

..........................................................................................................

..........................................................................................................

এই অধ্যায়টোত আমি আলোচনা কৰিছিলো যে শ্ৰৱণ আৰু কথনে কেৱল যান্ত্ৰিকভাৱে শুনা আৰু কোৱা কাৰ্য্যক নুবুজায়, ই সমানেই ধাৰণাকৃত ব্যৱস্থাটোকো অৰ্থাৎ চিন্তাৰ দ্বাৰা লব্ধ ধাৰণাকো গুৰুত্ব দিয়ে। আমি অনুভৱ কৰো যে ছাত্ৰ-ছাত্ৰী আপুনা-আপুনি নিজৰ মাতৃভাষাত পাৰ্গত কিন্তু তেওঁলোকে স্কুলৰ ভাষাৰ ক্ষেত্ৰত অৰ্থাৎ পাঠ্যপুথিৰ ভাষাৰ ক্ষেত্ৰত একে পৰ্যায়ৰ দক্ষতা অৰ্জন কৰিবলৈ বিশেষ কষ্ট স্বীকাৰ কৰিব লাগে। ইয়াৰে সকলোতকৈ ভাল ব্যৱস্থা হৈছে ছাত্ৰ-ছাত্ৰীক শ্ৰেণীকক্ষত কথা কোৱাৰ সুবিধা প্ৰান কৰা। এইটো হৈছে ভাষা শিক্ষণৰ একমাত্ৰ উত্তম ব্যৱস্থা, যিটোৱে ছাত্ৰ-ছাত্ৰীৰ সামাজিক চৰিত্ৰ আৰু ব্যক্তিগত চৰিত্ৰ গঠনত গভীৰ ৰেখাপাত কৰে। এইটো আলোচনা কৰা হৈছিল যে ছাত্ৰ-ছাত্ৰীক সুবিধা যোগান ধৰাৰ ক্ষেত্ৰত



টোকা

শিক্ষকৰ বিশেষ ভূমিকা আছে আৰু শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ অনিয়ন্ত্ৰিত ভাৱ প্ৰকাশত উৎসাহিত কৰিব পাৰে। ইয়াৰ মাজতে আন এটা আৱশ্যকীয় কথা ক'ব পাৰি যে ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষণৰ ক্ষেত্ৰত 'সল সলীয়াকৈ' ক'ব পৰাটোক 'শুদ্ধতা'তকৈ বেছি প্ৰাধান্য দিব পাৰি।

## 4.7 সহায়ক পঠন আৰু নিদৰ্শন পুথি


Anghileri, R. K. and Bagchi, Tista (2007), *Construction of Knowledge,* Udaipur : Vidya Bhawan Society.

Agnihotri R. K. (1999), *Bachchon ki Bhaashaa Sikhane kiKshamataa, Bhag. 1.2 (Shaikshik Sandarbh), Bhopal : Eklavya.*

Kumar, Krishna (1996), *Bachchon ki Bhaashaa Or Adhyaapak.* New Delhi : National Book Trust.

Richards, Jack C. (2008), *Teaching Listening and Speaking : From Theory to Practice* New York : Cambridge University Press.

Chafe, Wallace (1985), *Linguistic Differences by Differences beween Speaking and Writing.* New York : Cambridge University Press.


## 4.8 অধ্যায় শেষান্তৰ অনুশীলন

১) সাধুৰ সহায়ত ছাত্ৰ-ছাত্ৰীৰ কি অৰ্হতা বৃদ্ধি কৰিব পাৰি ?

২) যি মুহূৰ্ততে ছাত্ৰ-ছাত্ৰীয়ে শ্ৰেণী কক্ষত কথোপকথন কৰে, লগে লগে তেওঁলোকক শুধৰাই দিব লাগে। তুমি এই মনোভাৱটো শুদ্ধ বুলি ভাবানে ? নিজৰ মতামত দাঙি ধৰা।

৩) এটা সাধু লিখা যিটোত বহু কথা আলোচনা কৰিব পৰা যায়, আৰু যিটোৰ জড়িয়তে ছাত্ৰ-ছাত্ৰীৰ শ্ৰৱণ আৰু কথন অৰ্হতা বৃদ্ধি হয়।

৪) ছাত্ৰ-ছাত্ৰীক আলোচনাত মিলিত হ'বলৈ উৎসাহিত কৰা তোমাৰ ভাল লগা ব্যৱস্থাটো কি ? কিয় ? এটা উদাহৰণৰ সহায়ত ব্যাখ্যা কৰা।

৫) শ্ৰৱণত বাস্তৱত কি জড়িত হয় ?